# বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰো - ড০ দীনেশ চন্দ্ৰ গোস্বামী

---

**অতি চমু প্ৰশ্ন মূল্যাংকঃ ১**

প্ৰশ্ন ১. 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ'- প্ৰবন্ধটো লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

উত্তৰঃ 'বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰো' প্ৰবন্ধটো লেখকৰ 'বৈজ্ঞানিক মন বৈজ্ঞানিক মানসিকতা' গ্ৰন্থৰ পৰা লোৱা হৈছে ।

প্ৰশ্ন ২.বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ কি ?

উত্তৰঃ বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ হ'ল- ক্ষুদ্ৰ ভাইৰাছ বা বীজাণু ।

প্ৰশ্ন ৩.আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোক কি বুলি কোৱা হয় ?

উত্তৰঃ আমাৰ বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাক 'বিজ্ঞান' বুলি কোৱা হয় ।

প্ৰশ্ন ৪.যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে ৰোগ নিৰাময় কৰিব পাৰিনে?

উত্তৰঃ যাদু-মন্ত্ৰ বা তাবিজ-বিভূতিৰে ৰোগ নিৰাময় কৰিব নোৱাৰি । ই এক মানুহৰ ভ্ৰান্ত ধাৰণাহে ।

প্ৰশ্ন ৫.ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা এখন বিজ্ঞান বিষয়ক আলোচনীৰ নাম লিখা ।

উত্তৰঃ ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা এখন বিজ্ঞান বিষয়ক আলোচনীৰ নাম- ‘দৃষ্টি’ ।

## চমু প্ৰশ্ন - মূল্যাংকঃ ২/৩

প্ৰশ্ন ১.সপোনত পোৱা ঐষধ ৰোগীয়ে কিয় ব্যৱহাৰ কৰা অনুচিত ?

উত্তৰঃ ‘সপোনত পোৱা ঐষধ’ মানুহে ৰোগ নিৰাময়ৰ দৰব বা মন্ত্ৰ লাভ কৰা বুলি দাবী কৰে । এনে দাবীৰ কোনো ভিত্তি নাই আৰু সময়ত এইবোৰ মিছা বুলি প্ৰমাণিত হোৱা দেখা যায় । সেয়েহে, সপোনত পোৱা ঐষধ ৰোগীয়ে ব্যৱহাৰ কৰা অনুচিত ।

প্ৰশ্ন ২.বাহ্যিক জীৱনৰ বাবে প্ৰয়োজনীয় বস্তুবোৰতকৈ বিজ্ঞানৰ বেছি মূল্যবান অৱদান কি ?

উত্তৰঃ বাহ্যিক জীৱনৰ বাবে প্ৰয়োজনীয় বস্তুবোৰতকৈ বিজ্ঞানৰ মানৱ জাতিলৈ বহু বেছি মূল্যবান অৱদান হৈছে- বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মনোভাৱ আৰ্ু বৈজ্ঞানিক পদ্ধতি । ইয়াৰ সহায়ত বিজ্ঞানে নতুন তথ্য আৰু নতুন পৰ্যবেক্ষণৰ মাধ্যমেৰে নতুন নতুন আৱিষ্কাৰ অব্যাহত ৰাখিছে ।

প্ৰশ্ন ৩.মুকলি মন মানে কি?

উত্তৰঃ মুকলি মন মানে আকোঁৰগোজ হৈ পুৰণা কথাতে লাগি নাথাকি নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মনোবৃত্তিক বুজা যায় । এনে এক মুকলি মনে ব্যক্তি আৰু সমাজক উন্নতিৰ জখলাৰে আগুৱাই লৈ যায় ।

প্ৰশ্ন ৪.ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদিৰ বাস্তৱ ভিত্তি আছে নে?

উত্তৰঃ ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদিৰ কোনো বাস্তৱ ভিত্তি নাই। এই সকলোবোৰ মানুহৰ কেৱল অন্ধবিশ্বাস আৰু ভুল-ভ্ৰান্তি। এই ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদিৰ আশ্ৰয়েৰে চতুৰ আৰু স্বাৰ্থপৰ মানুহে সহজ-সৰল মানুহক ঠগি ধন, অৰ্থ আৰু নিজৰ স্বাৰ্থ আদায় কৰে ।

প্ৰশ্ন ৫.আদিম মানুহে জুইৰ আৱিষ্কাৰ কিদৰে কৰিছিল?

উত্তৰঃ আদিম কালত মানুহ এজনে শিলত শিল দলিয়াই থাঁকোতে জুই জ্বলি উঠিছিল। সেই পৰ্যবেক্ষণৰ পৰৱৰ্তী সময়ত তেওঁ জুই জ্বলা প্ৰক্ৰিয়াটো বাৰে বাৰে কৰি চাইছিল। তাৰ পাছত, তেওঁ জুইৰ ধৰ্ম অধ্যয়ণ কৰিলে আৰু জুইৰ নানা ন ন ব্যৱহাৰ আয়ত্ব কৰিলে। এনেদৰে আদিম মানুহে জুইৰ আৱিস্কাৰ কৰিছিল আৰু পাছলৈ জুইৰ ব্যৱহাৰ কৰি খাদ্য বস্তু সিজাই খাইছিল।

## দীঘলীয়া প্ৰশ্ন - মূল্যাংক ৩/৪

প্ৰশ্ন ১.'আমাৰ বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য উদঘাটনৰ ব্যৱস্থাটোৱেই হ'ল- বিজ্ঞান।'- কথাষাৰ বুজাই লিখা।

উত্তৰঃ আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য উদঘাটনৰ ব্যৱস্থা টোয়েই হ'ল- বিজ্ঞান। বিজ্ঞানত আমি দেখা বস্তু আৰু ঘটনাবোৰৰ একোটা সু-সংবদ্ধ ব্যাখ্যা দিবলৈ চেষ্টা কৰা হয়। কিন্ত ব্যাখ্যাবোৰ পৰীক্ষা কৰি চাব পৰা বিধৰ হব লাগিব। পৰ্যবেক্ষণ কৰা, জোখ-মাপ লোৱা, সত্যৰ অনুসৰণ কৰা, বস্তু বা ঘটনাবোৰৰ ধৰ্ম বা চৰিত্ৰ ফঁহিয়াই চাই তাৰ বিষয়ে এটা সিদ্ধান্তলৈ অহা আদিবোৰ হ'ল বিজ্ঞানীৰ কাম।

আদিম কালত মানুহ এজনে শিলত শিল দলিয়াই থাঁকোতে জুই জ্বলি উঠিছিল। সেই পৰ্যবেক্ষণৰ পৰৱৰ্তী সময়ত তেওঁ জুই জ্বলা প্ৰক্ৰিয়াটো বাৰে বাৰে কৰি চাইছিল। তাৰ পাছত, তেওঁ জুইৰ ধৰ্ম অধ্যয়ণ কৰিলে

আৰু জুইৰ নানা ন ন ব্যৱহাৰ আয়ত্ব কৰিলে । এনেদৰে আদিম মানুহে জুইৰ আৱিস্কাৰ কৰিছিল আৰু পাছলৈ জুইৰ ব্যৱহাৰ কৰি খাদ্য বস্তু সিজাই খাইছিল । এই প্ৰথম বিজ্ঞানী জনৰ পদ্ধতি আজিৰ যুগতো একেবাৰে সলনি হোৱা নাই । মাত্ৰ সি বেছি সূক্ষ্ম আৰু অধিক নিঁখুত হৈছে ।

আজিৰ বিজ্ঞানী সকলে খালী চকু, খালী হাতেৰে পৰ্যবেক্ষণ আৰু পৰীক্ষা কৰাৰ সলনি উন্নত যন্ত্ৰ-পাতি, উন্নত কৌশল ব্যৱহাৰ কৰিছে । পৰ্যবেক্ষণৰ বাবে হাতত এক্স-ৰশ্মিৰ দূৰবীক্ষণ, আলোকীয় বা ৰেডিঅ' দূৰবীণ, অণুবীক্ষণ যন্ত্ৰ, লেজাৰ ৰশ্মি, অপটিকেল ফাইবাৰ আদি আছে । পৰীক্ষাৰ বাবেও আজিৰ বিজ্ঞানীসকলৰ হাতত উন্নত তৰ্জুৰ পৰা আৰম্ভ কৰি পদাৰ্থ কণা-ত্বৰকৰ দৰে হেজাৰ হেজাৰ বস্তু আছে । মুঠতে বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটনৰ চেষ্টাত আজিৰ বিজ্ঞানী ব্ৰতী হৈছে ।

প্ৰশ্ন ২.বৈজ্ঞানিক মানসিকতা মানে কি ? বুজাই লিখা ।

উত্তৰঃ বৰ্তমান যুগ হ'ল-মন মুকলি কৰি ৰখা যুগ । বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বেছি । আঁকোৰ-গোজ হৈ পুৰণা কথাতে লাগি নাথাকি বিজ্ঞান সন্মত নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মনটোৱে ব্যক্তি আৰু সমাজকো উন্নতিৰ জখলাৰ দিশে আগুৱাই লৈ যায় । কিন্তু ইয়াৰ বাবে লাগিব এক মুকলি মনৰ অৱকাশ । নতুন জ্ঞান আৰু নতুন তথ্যৰে সিদ্ধান্তত উপনীত হ'বলৈ মানসিকভাৱে সাজু হ'ব লাগিব । সকলো কথা চালি-জাৰি চাবলৈ, ফঁহিয়াই চাবলৈ অভ্যাস কৰিব লাগিব । পুৰণি কালৰে পৰা, বোপা-ককাৰ দিনৰে পৰা চলি আহিছে বুলি অনিষ্টকাৰী বা প্ৰগতিত বাধাৰ সৃষ্টিকাৰী প্ৰথাবোৰ চলাই নাৰাখি অথবা ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি বহি নাথাকি কৰিব পৰাতো কৰি যাব লাগিব । এনেদৰে এক মুকলি মনেৰে কৰা কাৰ্যক বৈজ্ঞানিক মানসিকতা বুলি কোৱা হয় ।

প্ৰশ্ন ৩. বৈজ্ঞানিক মানসিকতাই সমাজৰ প্ৰগতিত কেনেদৰে অৰিহণা যোগায়?

উত্তৰঃ বৈজ্ঞানিক মানসিকতাই সমাজৰ প্ৰগতিত বিস্তৰ অৰিহণা যোগায় । বৈজ্ঞানিক মানসিকতাই বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মনোভাৱ আৰু বৈজ্ঞানিক পদ্ধতিৰ জন্ম দিয়ে । যাৰ ফলত, সমাজত দেখা দিয়া পুৰণি কু-সংস্কাৰ সমূহৰ পৰা মানুহক মুক্ত কৰে । প্ৰাচীন কালত মানুহে বহুতো কথা ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদি অদৃশ্য শক্তি কাণ্ড বুলি বিশ্বাস কৰিছিল । বৰ আই, সৰু আই আদি আই বা বসন্ত ৰোগো তেনেকৈ শীতলা দেৱী বা অন্য কোনো দেৱীৰ ৰোষতে হোৱা বুলি বিশ্বাস কৰিছিল । তেনে দেৱ-দেৱী, ভূত-পেত আদিক সন্তুষ্ট কৰিবলৈ তেওঁলোকে নানা পূজা, নাম-সকাম, সৎকাৰ আদিৰ ব্যৱস্থা কৰিছিল ।

কিন্তু আধুনিক চিকিৎসা বিজ্ঞানীয়ে প্ৰমাণ কৰিলে যে আই বা বসন্ত ৰোগ একোবিধ অতি ক্ষুদ্ৰ ভাইৰাছ বা বিজাণুৰ দ্বাৰা সৃষ্টি হোৱা ৰোগহে । ভাইৰাছ নামৰ এই বিজাণুৰ আক্ৰমণৰ পৰা শৰীৰটোক ৰক্ষা কৰাৰ ব্যৱস্থাও তেওঁলোকে আৱিস্কাৰ কৰিছে । দাঁতত পোকে ধৰিলে বেজ-বৈদ্য আহি কলপাত-কচুপাতৰ ওপৰত দাঁতৰ পৰা পোক উলিয়াই বিশ্বাস জন্মৰ চেষ্টা কৰে কিন্ত চিকিৎসা বিজ্ঞানে সেইবোৰ চকুৰে নমনা-অনুজীৱ বুলিহে প্ৰমাণ কৰে ।

ঠিক তেনেদৰে বিশুদ্ধ খোৱা-পানীৰ অভাৱত বা অস্বাস্থ্যকৰ পৰিৱেশত আমাৰ বহুতো গাওঁ-ভূঞে আৰু বহুতো অঞ্চলত ডায়েৰিয়া, মেলেৰিয়া, জণ্ডিছ আদি নানা ৰোগে দেখা দিয়ে । স্বাৰ্থ সিদ্ধিৰ বাবে কিছুমান দুখীয়ে তিৰোতাক ডাইনী আখ্যা দি অত্যাচাৰ কৰি হত্যা কৰে । কিন্ত বৈজ্ঞানিক মানসিকতাই এনেবোৰ কু-সংস্কাৰৰ পৰা মুক্ত কৰি মানুহক নতুন দৃষ্টিৰে চাবলৈ শিকালে আৰু বাস্তৱ দৃষ্টিৰে মানুহক সকলো কথা ফহিয়াই লক্ষ্য উপনীত হ’বলৈ থিয় দিলে ।

প্ৰশ্ন ৪.প্ৰসংগতি সংগতি দৰ্শাই ব্যাখ্যা কৰা -বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বেছি ।

উত্তৰঃ উদ্ধৃত কথাফাকি বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামী ৰচিত বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰো ' — নামৰ পাঠটিৰ অন্তৰ্গত ।
বৈজ্ঞানিক মানসিকতা গঢ়িব লাগিলে কেনে হোৱা উচিত , বিজ্ঞানৰ পদ্ধতিয়ে কিহৰ ওপৰত নিৰ্ভৰ কৰি সফলতা অৰ্জন কৰিব পাৰে এনেবোৰ কথা আলোচনা কৰিবলৈ গৈ লেখকে এনেদৰে মন্তব্য কৰিছে ।

বিজ্ঞানীসকলে লক্ষ্য বা পৰ্যবেক্ষণ কৰে , তাৰ পিছত তথ্যবোৰ সুন্দৰকৈ সজাই লৈ এইটো এনে বস্তু , এইটো এনে পৰিঘটনা হ'ব লাগে বুলি একোটা উপকল্প বা ধাৰণা কৰি লয় । তাৰ পিছত নতুন তথ্য , নতুন পৰ্যবেক্ষণেৰে তেওঁলোকে আগৰ উপকল্প বা ধাৰণাটো সঁচানে মিছা জানিব খোজে । যদি দেখা যায় যে নতুনকৈ পোৱা তথ্যবোৰ আগৰ ধাৰণাটো বা সিদ্ধান্তটো মানি নচলে , মিছা বুলি ধাৰণা কৰে , তেনেহ'লে তেওঁলোকে কোনো আপত্তি নকৰাকৈ , কোনো দ্বিধা নোহোৱাকৈ আগৰ সিদ্ধান্ত এৰি পেলায় । আকোৰগোজ হৈ পুৰণাটোতে লাগি নাথাকি নতুন কথা , নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মনটোৱে ব্যক্তি আৰু সমাজকো উন্নতিৰ জখলাত আগুৱাই লৈ যায় ।

এয়া হ'ল মুকলি মনৰ কথা , আৰু বিজ্ঞানৰ গোটেই পদ্ধতিটোতেই এই মুকলি মনটোৰ গুৰুত্ব বেছি । কাৰণ আগৰ বিজ্ঞানী এজনে এটা বস্তু যি বুলি মানি লৈছিল , পিছত বিজ্ঞানীয়ে তাৰ ওপৰত আৰু অধিক গৱেষণা কৰি তাক সলনি কৰিলে নতুন সিদ্ধান্তটোকহে সকলো বিজ্ঞানীয়ে মুকলি মনেৰে মানি লয় ।

প্ৰশ্ন ৫.বৈজ্ঞানিক মানসিকতাৰ অভাৱত আমাৰ সমাজত বৰ্তি থকা তিনিটা অন্ধবিশ্বাসৰ বিষয়ে উল্লেখ কৰা ।

উত্তৰঃ বৈজ্ঞানিক মানসিকতাৰ অভাৱত আমাৰ সমাজত বহুতো কু-সংস্কাৰ নাইবা অন্ধবিশ্বাস দেখা যায় । তাৰে ভিতৰত উল্লেখযোগ্য তিনিটা হ'ল-

(ক) অতীজতে বৰ আই, সৰু আই আদি বা বসন্ত ৰোগ হ'লে শীতলা দেৱী বা অন্য কোনো দেৱ-দেৱীৰ ৰোষত হোৱা বুলি মানুহে বিশ্বাস কৰিছিল। তেনে দেৱ-দেৱী, ভূত-প্ৰেত আদিক সন্তুষ্ট কৰিবলৈ মানুহে নানান পূজা, নাম-সবাহ, সংকাৰৰ ব্যৱস্থা কৰিছিল।

(খ) দাঁতত পোকে ধৰিলে মানুহে বেজ-বৈদ্য আনি কলপাত-কচুপাতৰ ওপৰত জৰা-ফুকা কৰি মন্ত্ৰ মাতি পোক পেলায় ৰোগ নিৰাময় কৰাৰ চেষ্টা কৰিছিল। কিন্তু সেই পোক আন একো নহয় এক ক্ষুদ্ৰ অনুজীৱহে আৰু সেই কথা বুজা নাছিল।

(গ) কিছুমান চতুৰ আৰু স্বাৰ্থপৰ মানুহে দুখীয়া তিৰোতাক ডাইনী আখ্যা দি অত্যাচাৰ কৰি হত্যাও কৰিছিল। বৰ্তমানেও ইয়াৰ প্ৰকোপ কমা নাই।

এনেধৰণে নানা অন্ধবিশ্বাসে মানুহৰ মনত পুৰণিকলীয়া নীতি নিয়মক বৰ্তাই ৰাখিছে আৰু মানি চলি আহিছে।